**Education (General)**
**Semester -6th**
**Paper -6.02**
**(Environmental Education and Population Education)**

## Unit-4: (পৰিৱেশীয় বিপদসংকূলতা আৰু দুৰ্যোগ ব্যৱস্থাপনা শিক্ষা)

### দুৰ্যোগ ব্যৱস্থাপনা

দূৰ্যোগ হৈছে হঠাতে হোৱা বিধ্বংসমূলক আকস্মিক ঘটনা, পৃথিৱী যিবোৰে পৃষ্ঠৰ বিভিন্ন জীৱকুল, উদ্ভিদ আদিৰ সীমাহীন ধ্বংস সৃষ্টি কৰি এই সকলোবিলাক বিপৰ্যয় কঢ়িয়াই আনে। এই দূৰ্যোগ দুই ধৰনৰ - প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগ অৰ্থাত ইংৰাজী প্ৰতিশব্দ Disaster টো ফ্ৰান্স ভাষাৰ disaster 'ৰ পৰা আহিছে । আকৌ কিছুমানৰ মতে disaster শব্দতো ফৰাচী শব্দ disastier ৰ পৰা আহিছে । ইয়াত des মানে বেয়া আৰু aster মানে তৰাক বুজায়। সেয়ে ইয়াৰ অৰ্থ বেয়া তৰা বা বেয়া গ্ৰহ ।

যিহেতু দূৰ্যোগসমূহ সদায় আকস্মিক, ভয়াবহ আৰু তাৎক্ষণিকবিধৰ হয় সেয়েহে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন ন কৌশল সমূহেও ইহঁতক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। প্ৰকৃতিয়ে সৃষ্টি কৰি তোলা দূৰ্যোগত মানুহ হৈ পৰে সম্পূৰ্ণ অসহায় আৰু আত্মসমৰ্পনকাৰী। এই দূৰ্যোগসমূহ হৈছে- ভূমিকম্প, আগ্নেয়গিৰি, ঘূৰ্ণিবতাহ, বজ্ৰপাত, ভূমিস্খলন, ছুনামি ইত্যাদি। মানুহে কেৱল ইয়াৰ ধ্বংসকাৰ্যৰ অন্তত সৃষ্টি হৈ উঠা পৰৱৰ্তী পৰিস্থিতি চম্ভালিবৰ বাবেহে ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিকিছে। দুৰ্যোগ এটা পাৰ হৈ গলে ই মানুহৰ মনত কেৱল এক বিভৎস প্ৰভাৱেই ৰৈ নাযায়, ইয়াৰ বাবে জনসাধাৰণ আৰু চৰকাৰৰ মাজত আতংকৰো সৃষ্টি হয়। সময়ৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ১৯৯০-৯৯ কালছোৱাক international decade for natural disaster reduction স্বৰূপে ঘোষনা কৰা হৈছিল।

২০০৪ চনৰ ২৬ ডিচেম্বৰত ভাৰতৰ উপকূলবৰ্তী ৰাজ্যবোৰত ভয়ংকৰ ছুনামিৰ ঢৌৱে হেজাৰ হেজাৰ লোকৰ প্ৰান লোৱাৰ পিছতেই ভাৰত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। ২০০৫ চনত দুৰ্যোগ ব্যৱস্হাৰ বাবে দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫ গঠন কৰা হয়। ভাৰতবৰ্ষত the national institute for disaster management (NIDM) নামৰ এটি শীৰ্ষ স্থানীয় প্ৰশিক্ষণ প্ৰতিস্থান স্থাপন কৰা হয়। দূৰ শিক্ষা আচঁনি সমূহতো বিশ্ববেংক প্ৰতিস্থান সহযোগিতা আগবঢ়ায়।

বৰ্তমান সময়লৈকে সৰ্ববৃহৎ ভূমিকম্প হৈছে ১৯৬০ চনত চিলিৰ ভূমিকম্প যাৰ তীব্ৰতা আছিল ৰিখতাৰ স্কেলমতে ৯.৫ । ১৯৩৪ চনত বিহাৰত ১৯৫০ চনৰ ১৫ আগষ্টত অসমত, ২০০২ চনত গুজৰাতত। ইয়াৰ উপৰিও ২০১৫ চনৰ ২৫ এপ্ৰিল আৰু ১২ মে'ত হোৱা ভূমিকম্পৰ ৰিখতাৰ স্কেল ক্ৰমান্বয়ে ৯.৮ আৰু ৯.৩ । ২০১৬ চনৰ ৪ জানুৱাৰীত ৬.৭ ৰিখতাৰ স্কেলত ক্ৰমান্বয়ে হোৱা ভূমিকম্পও উল্লেখনীয়। নেপালৰ ভূমিকম্পত প্ৰায় ২১০০০ জন আঘাতপ্ৰাপ্ত আৰু ৮০০০ জনে মৃত্যুক সাৱতি ল'ব লগাত পৰিছে।

ওপৰত উল্লেখ কৰা বিভিন্ন দুৰ্যোগ সমূহৰ ক্ষয়ক্ষতি সমূহৰ পৰা ৰক্ষা পাবলৈ দুৰ্যোগ ব্যৱস্থাপনাৰ উদ্যোগ গঢ়ি তোলাৰ প্ৰয়োজনীয়তা বৰ্তমান পৃথিৱীৰ সকলো দেশে অনুভৱ কৰিছে। আমাৰ ভাৰতবৰ্ষতো এনেকুৱা দুৰ্যোগ ব্যৱস্থাপনাৰ উদ্যোগ গঢ়ি উঠিছে। এই উদ্যোগসমূহৰ উপৰিও বৰ্তমান সমাজত দুৰ্যোগ ব্যৱস্থাপনা শিক্ষাৰ জ্ঞানৰ প্ৰয়োজন হয়।

## <u>দুৰ্যোগ ব্যবস্থাপনা শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সসমূহ</u>

দুৰ্যোগ ব্যৱস্থাপনা শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ তলত উল্লেখ কৰা হ'ল

- দুৰ্যোগৰ সময়ত ল'বলগীয়া কৌশলৰ তথা ব্যৱস্থাৱলীৰ বিষয়ে অৱগত কৰা ।
- সেইসময়ত সকলো স্তৰৰ লোকৰ যে সহায় - সহযোগীতা আৰু সমন্বয় প্ৰয়োজন সেই বিষয়ে অৱগত কৰা
- ঘটনাৰ ভয়াবহতা আৰু আঘাতক বাধা দিয়াত প্ৰচেষ্টা চলোৱা ।
- দুৰ্যোগৰ সময়ত বিপদাপন্ন লোক সকলক তাৎক্ষণিক আৰু দীৰ্ঘম্যাদী সহায়ত পৰিকল্পনা কৰা ।
- প্ৰাকৃতিক দুৰ্যোগ আৰু মানৱসৃষ্ট দুৰ্যোগসমূহৰ সঠিক জ্ঞান প্ৰদান কৰা ।
- দুৰ্যোগৰ সময়ত গণ মাধ্যমসমূহৰ অধিক সক্ৰিয় কৰি তোলা ।
- শিবিৰ স্থাপন আৰু নিৰপদমূলক ব্যবস্থা গ্ৰহণৰ পৰামৰ্শ দিয়া ।
- ঘটনাৰ ভয়াবহতাৰ সন্মুখীন হ'ব পৰাকৈ মানুহৰ আত্মবিশ্বাস গঢ়ি তোলা ।
- চৰকাৰি প্ৰশাসন,NGO,স্বেচ্ছাসেৱক,জনসাধানৰ সক্ৰিয় অংশ গ্ৰহণ নিশ্চিত কৰা ।

## <u>দুৰ্যোগ ব্যৱস্থাপনাত শিক্ষাৰ ভুমিকাৰ</u>

দুৰ্যোগ ব্যৱস্থাপনা হ'ল দুৰ্যোগৰ সসময়ত আৰু ইয়াৰ পৰৱৰ্তীকালত হোৱা ক্ষতিৰ পৰিমাণ হ্ৰাস কৰি ইয়াৰ বাবে মানুহক প্ৰস্তুত কৰি তোলা এক উপযুক্ত আঁচনি আৰু কাযব্যৱস্থা । এনে আঁচনিসমূহ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত সমাজৰ প্ৰতেক স্তৰৰ মানুহক অন্তভূৰ্ক্তকৰনৰ প্ৰয়োজন । সেইসময়ত সমাজৰ বিভিন্ন স্তৰৰ মানুহ যেনে শিক্ষক,শিক্ষাৰ্থী, জনসাধাৰণৰ, বিজ্ঞানী, প্ৰশাসন ইত্যাদি সকলোৰে সহযোগীতা আৰু সমম্বয়ৰ প্ৰয়োজন হয় ।

পৰিৱেশৰ বিভিন্ন দুৰ্যোগসমুহ নিৰাময়ৰ বাবে প্ৰতিজন লোকেই নিজ নিজ ভুমিকা ল'ব লাগে । এই ভুমিকাৰ অৱগত কৰোৱাই হ'ল দুৰ্যোগ ব্যৱস্থাপনা শিক্ষা । এই শিক্ষা ব্যৱস্থা কেৱল বিদ্যালয়, মহাবিদ্যালয়ৰ পৰিসীমাৰ মাজত আৱদ্ব নহয় । এনে শিক্ষা শিক্ষাৰ্থীৰ লগতে চৰকাৰী প্ৰশাসন, NGO, স্বেচ্ছাসেৱক, জনসাধাৰণৰ বাবে প্ৰয়োজনীয় ।

ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ণ মন্ত্ৰালয় আৰু দশম পঞ্চবাশীৰ্ষক পৰিকল্পনাত ভাৰতৰ প্ৰচলিত শিক্ষা ব্যৱস্থাত দুৰ্যোগ ব্যৱস্থাপনা শিক্ষা অন্তৰ্ভূক্তিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব হয় । সেই অনুক্ৰমে ভাৰতৰ বিভিন্ন শিক্ষা বোৰ্ড বোৰে যেন কেন্দ্ৰীয় মাধ্যমিক (CBSE) , ৰাজ্যক শিক্ষা বোৰ্ড (SBE), আদিয়ে দুৰ্যোগ ব্যৱস্থাপনা সম্পকীয় শিক্ষা পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিছে । এনে ধৰনৰ পাঠ্যক্ৰমৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মনৰ সংকীৰ্ণতা, আত্মকেন্দ্ৰীকতা, উদাসীনতা আদি গুচাই পৰিৱেশৰ প্ৰতি সহনশীলতাৰ মনোভাৱ গঠনাত্মক আচৰন গঢ় দি তুলিব পাৰে । এই ক্ষেত্ৰত শিক্ষাৰ ভুমিকা তলত উল্লেখ কৰা হ'ল—

- শিক্ষাই আঞ্চলিক বা স্থানীয় ভিত্তিত সম্প্ৰদায়ৰ লোকৰ মাজত দুৰ্যোগসমূহৰ বিষয়ে আগতিয়া সজাগ আৰু সচেতন কৰি তুলিব পাৰে ।
- দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে সমাজৰ সকলো লোকৰ বাবে বিজ্ঞানভিত্তিক জ্ঞান প্ৰদান দিয়াৰ ক্ষেত্ৰত শিক্ষাই যথেষ্ট ভূমিকা ল'ব লাগে ।
- বিদ্যালয়,মহাবিদ্যালয়সমূহত ভবিষ্যতে হ'ব পৰা দুৰ্যোগসমূহৰ বিষয়ে আলোচনা বিলোচনা লগতে দলগত মত বিনিময় আদিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগ আৰু সচেতনতা বৃদ্ধি কৰিব পাৰি ।
- এই শিক্ষাৰ দুৰ্যোগৰ দ্বাৰা আক্ৰান্ত লোক, দল বা বিভাগত ফলপ্ৰসু সহায় আৰু সম্পদৰ সংৰক্ষণৰ ব্যৱস্থা কৰি দিয়ে ।
- পাঠ্যক্ৰম আৰু সহপাঠ্যক্ৰমৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ দুৰ্যোগৰ সময়ত ল'ব লগীয়া সাৱধানতাৰ ওপৰত প্ৰনালীবদ্ধ জ্ঞান প্ৰদান কৰিব পাৰে ।
- শিক্ষাৰ দ্বাৰা চৰকাৰী প্ৰশাসন,NGO,আদিত শিবিৰ স্থাপন আৰু নিৰাপদমূলক ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়া হয় ।
- জনসাধাৰণক, বিশেষকৈ শিশু, মহিলা আৰু অভিভাৱকসকলক দুৰ্যোগৰ সময়ত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাবলী সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয় ।
- ইয়াৰ দ্বাৰা দুৰ্যোগসমুহে আঘাত কৰিব পৰা ব্যৱস্থাৰ বিষয়ে সমাজিক মানচিত্ৰ , সম্পদ মানচিত্ৰ , বিপদসংকূল মানচিত্ৰ, নিৰাপদ স্থানৰ মানচিত্ৰ আৰু বিকল্প পথ মানচিত্ৰ আদিৰ জ্ঞান প্ৰদান কৰিব পাৰে।
- শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনত সামাজিক চেতনা আৰু সামাজিক পৰিৱেশ সৃষ্টি কৰে ।
- দুৰ্যোগৰ সময়ত প্ৰাথমিক চিকিৎসা প্ৰদানৰ কৌশলসমূহৰ বিষয়ে শিক্ষাই অৱগত কৰে ।

---

( সহায় লৈ - *পৰিবেশ অধ্যয়ন* : ড° কৃষ্ণগোপাল ভট্টাচাৰ্য, ড° ৰঞ্জিত নাথ ভট্টাচাৰ্য , ড° সিদ্ধিনাথ শৰ্মা ।
*পাৰিপাৰ্শ্বিক আৰু জনসংখ্যা শিক্ষা* : ড° মুকুল শইকীয়া , জ্যোতিস্মিতা শৰ্মা )